# অতিবৃষ্টি







ধান সিঁচাৰ পাছতে হোৱা অতিবৃষ্টিৰ ফলস্বৰূপে বীজবোৰ সমভাবে পথাৰত নপৰিব পাৰে বা অংকুৰিত নহ'ব পাৰে ।

**কেতিয়া আৰু ক'ত হয় ?**

বোকা দিয়া পদ্ধতিত ধান সিঁচাৰ পিছতে অতিবৃষ্টি হ'লে এই সমস্যাটোৱে দেখা দিয়ে। আলতীয়া মাটিৰ ক্ষেত্ৰত এই সমস্যাটোৰ প্ৰাবল্য বেছি হোৱা দেখা যায়।

**চিনাক্তকৰণৰ উপায় ঃ**

অতিবৃষ্টি হোৱাৰ ফলত পোনপটীয়াকৈ ধান সিঁচা পথাৰত গছৰ সংখ্যা কম হয়। ক্ষতিৰ পৰিমাণ গোটেই পথাৰখনত হলেও দ' ঠাইবিলাকত তুলনামূলক ভাবে বেছি হয়।

অৱশ্য পথাৰত শস্য থিতাপি লোৱাৰ ক্ষেত্ৰত বহুতো কাৰকে সমস্যাৰ সৃষ্টি কৰে উদাহৰণ স্বৰূপে,কেতিয়াবা পথাৰৰ মাটি বেছি লডা বান্ধি যাব পাৰে, বীজ সিঁচোতে দ' ঠাইত বেছি বীজ পৰিব পাৰে, মাটি বেছি কোমল হৈ থাকিব পাৰে, সিঁচাৰ সময়ত অতিবৃষ্টি হব পাৰে, মাটি কটৰা মাৰিব পাৰে , বীজ গুণগত মানদণ্ডৰ নহ'ব পাৰে, অনুমোদিত হাৰত বীজৰ ব্যৱহাৰ নহব পাৰে, পথাৰত পানী কম হব পাৰে , সিঁচাৰ সময়ত পথাৰখনত বেছি বোকা হোৱা, পোক-পতংগ চৰাইৰ দ্বাৰা আক্ৰমণ হব পাৰে । সেয়ে প্ৰকৃত সমস্যাটো চিনাক্ত কৰিবলৈ হ'লে বীজখিনি পোনপটীয়াকৈ পথাৰত সিঁচা হৈছিল নে কঠীয়া ৰোৱা হৈছিল আৰু সিঁচাৰ সময়ত বৰষুণৰ পৰিমাণ কিমান আছিল আদি তথ্য কৃষকজনৰ পৰা জানি ল'ব লাগে।

**গুৰুত্ব ঃ**

ধান সিঁচাৰ সময়ত বা ঠেন ধৰাৰ সময়ত অতিবৃষ্টিয়ে সমস্যাৰ সৃষ্টি কৰি আহিছে। ই প্ৰাকৃতিক সমস্যা হোৱা হেতুকে আগতীয়াকৈ অনুমান কৰাটো অসম্ভৱ। তেনেস্থলত অতিবৃষ্টি হলে মাটিখিনি আকৌ চহ কৰি ধান সিঁচিব লগা হব পাৰে।

**ব্যৱস্থাপনা ঃ**

মাটিত বীজ সিঁচাৰ পিছৰ দুদিন অতিকৈ গুৰুত্বপূৰ্ণ। বোকা কৰি পোনে পোনে ধান সিঁচা পথাৰত অতিবৃষ্টি হলে বেছি সমস্যা হয়। এই সমস্যাৰ পৰা ৰেহাই পাবলৈ --

- পানী নিৰ্গমণৰ সুব্যৱস্থা কৰিব লাগে।
- ওপৰতে গুটি সিঁচি থব নালাগে।



The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-Share Alike 3.0 (Unported)*